# ২৫ অক্টোবৰৰ পৰা সাতদিনীয়া কাৰ্যসূচীৰে দ্বিতীয় গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱ

চলিত বৰ্ষৰ ২৫ অক্টোবৰৰ পৰা ৩১ অক্টোবৰলৈ মহানগৰীৰ শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰ আৰু জ্যোতি চিত্ৰবনত আয়োজিত হ'ব দ্বিতীয় গুৱাহাটী চলচিত্ৰ মহোৎসৱ। ৰাজ্য চৰকাৰৰ পৃষ্ঠপোষকতাত চৰকাৰী সংস্থা জ্যোতি চিত্ৰবন আৰু ড০ ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচিত্ৰ আৰু টেলিভিচন প্ৰতিষ্ঠানৰ উদ্যোগত অনুষ্ঠিত হ'ব লগীয়া এই মহোৎসৱত অংশগ্ৰহণ কৰিব দেশ-বিদেশৰ শতাধিক চলচিত্ৰ নিৰ্মাতা, শিল্পী, কলা-কুশলী, কূটনীতিবিদ তথা হাজাৰ সহস্ৰাধিক দৰ্শকে।

আজি জ্যোতি চিত্ৰবনত অনুষ্ঠিত এই সংবাদমেল সম্বোধন কৰি সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰীযুত নব কুমাৰ দলে ডাঙৰীয়াই কয় যে, "অহা অক্টোবৰ মাহৰ ২৫ তাৰিখৰ পৰা সাতদিনীয়া কাৰ্যসূচীৰে ৩১ অক্টোবৰলৈকে মহানগৰীৰ শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰ আৰু জ্যোতি চিত্ৰবন চৌহদত মহোৎসৱখনি অনুষ্ঠিত হ'ব। বিগত বৰ্ষত প্ৰায় ৩০ খনতকৈও অধিক ৰাষ্ট্ৰৰ মুঠ ৭২ খন চিনেমা এই মহোৎসৱত প্ৰদৰ্শিত হৈছিল আৰু দেশ বিদেশৰ বহু কেইগৰাকী শীৰ্ষস্থানীয় চলচিত্ৰ নিৰ্মাতা, শিল্পী, কলা কুশলী, কূটনীতিবিদৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰায় পাঁচ হাজাৰতকৈও অধিক চলচিত্ৰপ্ৰেমীয়ে এই মহোৎসৱত অংশগ্ৰহণ কৰিছিল। প্ৰথম আয়োজন হিচাপে ইয়াক এক অভিলেখ বুলিব পাৰি। এইবাৰৰ মহোৎসৱত বিগত বৰ্ষতকৈ দুগুণ প্ৰায় ৬০খন ৰাষ্ট্ৰৰ শতাধিক চিনেমা মহোৎসৱত প্ৰদৰ্শিত হ'ব। দেশ-বিদেশৰ প্ৰায় ১০০ গৰাকী বিশিষ্ট অতিথিয়ে অংশগ্ৰহণ কৰিব। ৩০ খন ৰাষ্ট্ৰই তেওঁলোকৰ নিজা প্ৰতিনিধি প্ৰেৰণ কৰাৰ সিদ্ধান্তৰ বিষয়ে ইতিমধ্যেই জ্যোতি চিত্ৰবন কৰ্তৃপক্ষক জনাইছে। আপোনালোক সংবাদ মাধ্যমৰ জৰিয়তেই আমি বিগত বৰ্ষৰ দৰেই এইবাৰৰ চলচিত্ৰ মহোৎসৱক সাফল্যমণ্ডিত কৰিবৰ বাবে অসম তথা দেশৰ ৰাইজক আহ্বান জনালোঁ। আজি সংবাদ মাধ্যমৰ উপস্থিতিত প্ৰতিনিধি পঞ্জীয়নৰ আনুষ্ঠানিক শুভাৰম্ভ কৰা হৈছে। মহোৎসৱত অংশগ্ৰহণ কৰিব বিচৰা ১৮ বছৰৰ বয়সৰ ঊৰ্ধৰ যিকোনো ব্যক্তিয়ে পঞ্জীয়ন কৰি চিনেমা চোৱাৰ উপৰিও অন্যান্য কাৰ্যসূচীত অংশগ্ৰহণ কৰিব পাৰিব। পোনপটীয়া পঞ্জীয়নৰ বাবে জ্যোতি চিত্ৰবন আৰু অনলাইন পঞ্জীয়নৰ বাবে মহোৎসৱৰ ৱেবচাইট www.giff.assam.gov.inত পঞ্জীয়ন কৰিব পাৰিব।

এই মহোৎসৱৰ পাছতেই ৰাজ্য চৰকাৰৰ উদ্যোগত তথ্যচিত্ৰ আৰু চুটিছবি মহোৎসৱ, লগতে শিশু চলচিত্ৰ মহোৎসৱৰো আয়োজন কৰা হ'ব। এই অনুষ্ঠানবিলাকৰ জৰিয়তে আমাৰ ৰাজ্যখনৰ সৈতে দেশ-বিদেশৰ চলচিত্ৰ নিৰ্মাতা তথা কূটনীতিবিদসকলক চিনাকি কৰি দিয়াৰ লগতে ৰাজ্যখনৰ সাংস্কৃতিক বৈভৱসমূহক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত তুলি ধৰাত সংশ্লিষ্ট সকলোকে সহযোগিতা আগবঢ়োৱাৰ আন্তৰিক প্ৰচেষ্টা হাতত লোৱা হৈছে। উল্লেখযোগ্য যে, এইবাৰৰ দ্বিতীয় গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱৰ বিষয় হ'ল "বসুধৈৱ কুটুম্বকম্" অৰ্থাৎ পৃথিৱীখন এটা পৰিয়াল।"

সংবাদমেলত উপস্থিত জ্যোতি চিত্ৰবনৰ অধ্যক্ষ শ্ৰীযুত পবিত্ৰ মাৰ্ঘেৰিটাই কয় যে, "মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া নেতৃত্বাধীন চৰকাৰখনৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰীযুত নব কুমাৰ দলেৰ নিৰ্দেশক্ৰমে এই মহোৎসৱ কেৱল গুৱাহাটী মহানগৰ কেন্দ্ৰিক নকৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক বিশেষভাৱে সামৰি লোৱা হ'ব। কামৰূপ মহানগৰৰ লগতে দাঁতি-কাষৰীয়া জিলাসমূহৰ কলেজীয়া ছাত্ৰ ছাত্ৰীৰ সুবিধাৰ্থে পঞ্চাশখনতকৈ অধিক বাহনৰ ব্যৱস্থাৰ লগতে দুয়োটা উপত্যকা তথা উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যৰ পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ থকাৰ সুব্যৱস্থাও কৰা হৈছে। অধ্যক্ষ পবিত্ৰ মাৰ্ঘেৰিটাই বিগত বৰ্ষত আগবঢ়োৱা সহযোগিতাৰ বাবে ৰাজ্যবাসীক সংবাদমেলৰ জৰিয়তে কৃতজ্ঞতা জ্ঞাপন কৰে। বিশেষকৈ প্ৰথম গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱত অসমৰ সংবাদ মাধ্যমৰ সহযোগিতা আছিল মন কৰিবলগীয়া, কিয়নো প্ৰতিটো সংবাদ ইতিবাচকভাৱে প্ৰকাশ কৰাৰ সমান্তৰালভাৱে দৰ্শকৰ আসনত সংবাদ মাধ্যমৰ ব্যক্তিসকলৰ উপস্থিতি আছিল সৰ্বাধিক।

সংবাদ মেলখনিত লগতে উপস্থিত আছিল সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিব শ্ৰীযুত প্ৰীতম শইকীয়া, মহোৎসৱৰ সঞ্চালক তথা জ্যোতি চিত্ৰবনৰ সচিব মণিতা বৰগোহাঁই আৰু জ্যোতি চিত্ৰবন পৰিচালনা সমিতিৰ অন্যতম সদস্য ভূপেন কামান।

approved
Pabitra Margherita - 03/9/18
chairman, JCB